2016-18

# Politics of Small States in India: With Special Reference to the North East



Editor
Bidyut Bora

**Politics of Small States in India: With Special Reference to the North East:** A collection of the research papers submitted at the UGC sponsored National Seminar on "Politics of Small States in India: With Special Reference to the North East", organised by Department of Political Science, Jorhat College in collaboration with Jorhat College Teachers Unit, on 28th and 29th October, 2016, edited by Bidyut Bora, Assistant Professor, Department of Political Science, Jorhat College.

(C) Jorhat College Publication Cell

First Edition : 4th November, 2016

ISBN : 978-93-83230-43-3

Cover : Rajib Dutta

Price : Rs. 500/-

Printed at : ISKRA

**DISCLAIMER:**

The Editor or the Publisher, IN NO WAY, is responsible for the originality, authenticity or plagiarism in the content of the research papers.

❖ মিচিংসকলৰ ভাষাভিত্তিক ৰাজ্যৰ দাবী : মিচিং ভাষাৰ উন্নিখনেৰে
✍ তৰুণ নৰিং / 380

❖ Formation of Small States: Ethnicity is North-East India through the eyes of James C Scott in his Celebrated Book "The Art of Not Being Governed"
✍ **Projnya Paromita Kaushik / 388**

❖ Autonomy Movement of Bodoland
✍ **Hirok Jyoti Gogoi, Pallab Jyoti Phukan / 396**

❖ Politics of Secessionism and Challenges to National Unity or Integrity in North-East India with special reference to Assam
✍ **Channika Borah / 402**

❖ Smaller States and Ethnicity of Language
✍ **Jogeswar Bora / 419**

❖ Identity, Conflicts and State Formation in the North East India
✍ **Bidyut Bora / 425**

❖ Autonomy Movement of the Mishing
✍ **Manurima Bhagawati / 432**

❖ Positive Impact of Separatist Movement in Assam
✍ **Ranjit Bikash Chetia / 439**

❖ Agenda / 449

❖ Rapporteur's Report / 452

# মিচিংসকলৰ ভাষাভিত্তিক ৰাজ্যৰ দাবী ঃ মিচিং ভাষাৰ উল্লিখনেৰে

তৰুণ লগিং

সহকাৰী অধ্যাপক,

অসমীয়া বিভাগ, যোৰহাট কলেজ

লোকপিয়ল অনুযায়ী মিচিংসকলৰ অসমৰ দ্বিতীয় সংখ্যাগৰিষ্ঠ ভৈয়াম জনজাতি। নৃ-তাত্ত্বিক বিচাৰত মিচিংসকল মংগোলীয় গোষ্ঠীৰ লোক। ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা লক্ষ কৰিলে তেওঁলোকৰ ভাষাটো চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ উত্তৰ-অসম উপশাখাৰ অন্তৰ্গত। বৰ্তমান তেওঁলোক অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ধেমাজি, লক্ষীমপুৰ, শোণিতপুৰ আৰু দক্ষিণপাৰে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত বসতি কৰি আছে। তদুপৰি অৰুণাচল প্ৰদেশৰ লোহিত, চিয়াং আৰু ডিবাং উপত্যকাতো মিচিংসকলৰ বসতি পোৱা যায়।

**উদ্দেশ্য ঃ**

(ক) অসমৰ অন্যতম জনগোষ্ঠী মিচিংসকলে ভাষাৰ জৰিয়তে দাবী কৰিব খোজা ৰাজ্যৰ দাবী সম্পৰ্কত আলোকপাত দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

ঘ) মিচিংসকলৰ মাজত থকা টৈমেৰা, চামুগুৰীয়া, বংকুৱাল, বিহিয়া, বেবেজীয়া দলৰ অসমীয়া ভাষী মিচিংসকলৰ সমস্যা সম্পৰ্কে আলোচনা দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

**পদ্ধতিঃ**

আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰধানকৈ বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। দ্বিতীয়ক তথ্য হিচাপে বিভিন্ন গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে।

**মূল আলোচনাঃ**

স্বাধীন ভাৰতৰ সংবিধান প্ৰণয়ন কৰাৰ সময়ত ভাৰতবৰ্ষৰ জনজাতিসমূহক এক সাংবিধানিক নিৰ্দেশ যোগে তালিকাভূক্ত কৰা হয়। এই তালিকাভূক্ত জনজাতিসমূহক অনুসূচীত জনজাতি (Scheduled Tribes) হিচাবে চিহ্নিত কৰি সংৰক্ষণকে ধৰি তেওঁবিলাকৰ বাবে কিছু বিশেষ সাংবিধানিক সা-সুবিধাৰ ব্যৱস্থা কৰা হয়। আনহাতে জনজাতীয় অঞ্চলসমূহৰ প্ৰশাসনৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ষষ্ঠ অনুসূচী আৰু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ জনজাতীয় অঞ্চলৰ বাবে পঞ্চম অনুসূচী সংবিধানত সন্নিবিষ্ট কৰা হয়। পঞ্চম অনুসূচী ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ জনজাতীয় প্ৰধান অঞ্চলসমূহক ৰাষ্ট্ৰপতিৰ এক আদেশ যোগে ঘোষনা কৰি অনুসূচীত অঞ্চলৰ মৰ্যদা দি সেই ৰাজ্যসমূহত ৰাজ্যিক পৰ্যায়ত একোখনকৈ জনজাতিৰ উপদেষ্টা পৰিষদ গঠন কৰাৰ ব্যৱস্থা কৰা হয়। সেইদৰে উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰীয়া জনজাতি সকলক ষষ্ঠ অনুসূচীৰ মৰ্যদা প্ৰদান কৰা হয়। কিন্তু অসমৰ ভৈয়াম জনজাতিসমূহক সংবিধানৰ পঞ্চম আৰু ষষ্ঠ দুয়োটা অনুসূচীৰ পৰা বাদ দিয়া হয়। এনেবোৰ কাৰণতে অসমৰ অন্যান্য জনজাতিৰ লগতে মিচিংসকলেও ৰাজ্যৰ দাবী তুলিবলৈ বাধ্য হৈ পৰিছে।

অসমৰ বড়ো তথা ভৈয়ামৰ অন্যান্য জনগোষ্ঠী মিচিং, ৰাভা, তিৱা সকলো ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্তিৰ বাবে তীব্ৰতৰ আন্দোলনৰ ফলতকেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অসমৰ ভৈয়াম জনজাতিৰ সমস্যা অধ্যয়ন কৰিবলৈ ড° ভূপেন্দ্ৰ সিঙৰ

নেতৃত্বত তিনিজনীয়া এটা সজাতী দলে ১৯৯০ চনত অসমলৈ আহে। ১৯৯২ চনৰ ৩১ মাৰ্চত ড° ভূপেন সিং কমিটিয়ে তেওঁলোকৰ সমস্যাৰ বিষয়ে প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনৰ মতে বড়ো, মিচিং, ৰাভা, তিৱাসকলক পৃথকে পৃথকে স্বায়ত্ব শাসন প্ৰদান কৰিলেহে সমস্যা সমাধান হ'ব। উল্লেখযোগ্য যে মিচিংসকলৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে মিচিং বসতিপ্ৰধান অঞ্চলসমূহক লৈ মিচিং স্বায়ত্ব শাসিত পৰিষদ গঠন কৰাৰ উল্লেখ কৰে। অৱশেষত দীঘলীয়া সংগ্ৰামৰ ফলত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু বড়ো নেতৃবৰ্গৰ মাজত বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদে (Bodoland Territorial Area District (BTAD) ১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰীত চুক্তি স্বাক্ষৰিত হয়। সৰ্বশেষত ১৯৯৫ চনত ষষ্ঠ অনুসূচীৰ অধীনত BTC গঠন কৰে। একে আহিঁত মিচিংসকলেও স্বায়ত্ব শাসিত পৰিষদ গঠন কৰি ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবী নিজা বেনাৰত উত্থাপন কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত লক্ষ কৰিলে দেখা যায় যে স্বাধীনতাৰ পিছত ভাৰতৰ অন্যতম শিক্ষা আয়োগ Kothari Commission (১৯৬৪) ৰ মতে প্ৰাথমিক বিদ্যালয়ত অৰ্থাৎ Lower primary stage ত Curriculum প্ৰস্তুত কৰা এনেধৰণৰ-

(1) One Language
(2) Mathematics.
(3) Study of Environment
(4) Creative Activities
(5) Social Service
(6) Health Education.

ইয়াৰ পৰা বুজা যায় যে, মিচিং ছাত্ৰ-ছাত্ৰীয়ে Curriculum ৰ বহিৰ্ভূত ব্যৱস্থাৰ মাজেদি শিক্ষাগ্ৰহণ কৰিবলগীয়া হৈছে। বাস্তৱ ক্ষেত্ৰত প্ৰাথমিক বিদ্যালয়ৰ মিচিং ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাৰ উপৰি মিচিং ভাষাও আয়ত্ব কৰিব লগা হৈছে। Kothari Commission ৰ মতে এটা ভাষা অৰ্থাৎ মাতৃভাষাহে প্ৰবৰ্তন কৰিব লাগিছিল। কিন্তু এতিয়া একে স্তৰত মিচিং ছাত্ৰ-

ছাত্ৰীসকলৰ ক্ষেত্ৰত মিচিং আৰু অসমীয়া ভাষা একেলগে শিকিব লগা হৈছে। এনেবোৰ কাৰণতে সচেতন মিচিং মহলে ভাষাভিত্তিক ৰাজ্যৰ দাবী অনাবলৈ বাধ্য হৈ পৰিছে।

আনহাতেদি সমগ্ৰ দেশৰ থলুৱা লিপিহীন ভাষাবোৰৰ পাঠ্যপুথিৰ ব্যৱহাৰৰ কাৰণে লিপি বা অনুমোদিত তেনে কোনো চৰকাৰৰ লিখিত 'লিপি-নীতি' নাই। কিন্তু চৰকাৰে এই বিষয়ত স্বাধীনতাৰ আগতে যিবোৰ ভাষাই যিবোৰ লিপি গ্ৰহণ কৰি স্বকীয় ভাষাবোৰৰ উন্নতি সাধনৰ কাৰণে লিখিত ৰূপ দিছিল এইবোৰ ভাষাৰ ক্ষেত্ৰত সেইবোৰ লিপিকে অনুমোদন কৰা আৰু স্বাধীনতাৰ পাছত যিবোৰ থলুৱা ভাষাই নতুনকৈ লিপি গ্ৰহণ কৰি পাঠ্যপুথিত ব্যৱহাৰ কৰিবলৈ লৈছে তেনে ভাষাবোৰৰ ক্ষেত্ৰত প্ৰথমে আঞ্চলিক ভাষাৰ লিপি নতুবা ৰাষ্ট্ৰীয় ভাষাৰ লিপি অনুমোদন কৰাৰ মনোভাব পোষণ কৰা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত চৰকাৰে সদায় ৰোমান লিপিৰ উপযোগিতাৰ কথা আৰু যুক্তিযুক্ততাৰ প্ৰসঙ্গৰ পৰা আঁতৰি থকাৰ মত পোষণ কৰিছে। এনে কাৰণতে অন্যান্য জনগোষ্ঠীৰ লগতে মিচিংসকলো ক্ষুণ্ন হোৱা পৰিলক্ষিত হৈছে।

ভাষাৰ দিশটোৰ লগত আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল যে মিচিংসকলৰ মাজত পৰম্পৰাগতভাৱে নটা খেল (Group) পোৱা যায়। সেইকেইটা হৈছে - ১। পাগ্ৰ, ২। দৌলু, ৩। অয়ান, ৪। চায়াং, ৫। ময়িং, ৬। দাম্বুক, ৭। তামাৰ, ৮। চামুগুৰীয়া আৰু ৯। বংকুৱাল। উল্লেখযোগ্য যে এই পৰম্পৰাগতভাৱে চলি অহা নটা খেলৰ উপৰিও মানৰ আক্ৰমণৰ আগে-পিছে তৈয়ামৰ বিভিন্ন লোকৰ সংমিশ্ৰণৰ 'বিহিয়া' আৰু 'বেবেজীয়া' নামৰ দুটা খেল (Group) মিচিং সমাজত সোমাই পৰা দেখা যায়। সেইফালৰ পৰা চাবলৈ গ'লে মিচিং সমাজত মুঠ এঘাৰটা খেল পোৱা যায়। ভাষাৰ দৃষ্টিকোণেৰে বহল ভাৱে মিচিংসকলক মিচিং ভাষা কোৱা মিচিং আৰু অসমীয়া ভাষী মিচিং - এই দুটা ভাগত ভাগ কৰিব পাৰি। অসমীয়া ভাষী মিচিংসকল হৈছে — তামাৰ বা টেমেৰা, চামুগুৰীয়া, বংকোৱাল, বিহিয়া আৰু বেবেজীয়া। বিহিয়া আৰু বেবেজীয়া খেলৰ লোকসকল যিহেতু তৈয়ামৰ বিভিন্ন লোকৰ সংমিশ্ৰণত সৃষ্টি হোৱা সেয়ে তেওঁলোকৰ মাত কথাবোৰ অসমীয়া হোৱাটো স্বাভাৱিক। কিন্তু

চামুগুৰীয়া, টেমেৰা আৰু বংকুৱাল সকলৰ নিজৰ মাজৰ পৰা মিচিং ভাষা কেনেকৈ হেৰালে সেই সম্পৰ্কে কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। অসমীয়া ভাষী মিচিং সম্পৰ্কে প্ৰথম উল্লেখ পোৱা যায় সোণাৰাম পাএং কুটকীৰ 'মিৰি জাতিৰ বুৰঞ্জী' নামৰ গ্ৰন্থত।[১] তেওঁ মিচিঙৰ মাজত প্ৰচলিত খেলৰ বিষয়ে ক'বলৈ যাওঁতে অসমীয়া ভাষী মিচিংসকলক 'চামুগুৰীয়া বা মিৰাং' বুলি উল্লেখ কৰিছে আৰু তেওঁলোকক তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে। সেইকেইটা হৈছে - চাবৰু গএং, তামাৰ গএং আৰু চামুগুৰীয়া। তৰুণ চন্দ্ৰ পামেগামৰ মতে — "সম্ভৱতঃ চামুগুৰীয়া আৰু তামাৰ খেলৰ মানুহেই পোনপ্ৰথম ভৈয়ামলৈ নামি আহিছিল। তেওঁলোক ভৈয়ামলৈ অহা সময়ত অন্যান্য মিচিং মানুহ নাছিল কাৰণে অনা-মিচিং সম্প্ৰদায়ৰ লগত ভাবৰ আদান-প্ৰদান কৰিব লগা হোৱাত নিজ কথ্যভাষা বা মৌলিক ভাষা পাহৰি যাব পাৰে। বৰ্তমান এওঁলোকে অসমীয়াতেই কথা-বতৰা কয় যদিও অন্যান্য সকলো বিষয়ত মিচিংসকলৰ লগত মিল আছে।"[২] তদুপৰি মিচিং লিখক টংকেশ্বৰ লইঙৰ মতে — "মিচিং মানুহে যে নিজৰ মাত কথা এৰি অসমীয়া ভাষা কথা ক'বলৈ লোৱা বেছি দিন হোৱা নাই, গাৱঁত সোমাই তেওঁলোকৰ মাত কথা শুনিলেই সকলোৱে এই কথা বুজি পাব। চাৰিওফালৰ অসমীয়া ভাষী মানুহৰ মাজত যুগ যুগ ধৰি মুষ্টিমেয় কেইঘৰমান আদী মানুহে বিভিন্ন পৰিৱেশ আৰু পৰিস্থিতিৰ মাজত বাস কৰিব লগা হোৱাটোৱেই হয়তো তেওঁলোকৰ মাতৃভাষা পৰিত্যাগ কৰাৰ মূল কাৰণ।"[৩]

অসমীয়া-ভাষী মিচিংসকলৰ এই পাঁচোটা খেলৰ লোকসকল অসমৰ গোলাঘাট, উত্তৰ-লক্ষীমপুৰ আৰু ধেমাজি জিলাত পোৱা যায়। তেওঁলোকৰ ভিতৰত টেমেৰা খেলৰ লোকসকলৰ মূল মানুহখিনি গোলাঘাট জিলাৰ বোকাখাট মহকুমাৰ বৰামাটি মৌজাৰ অন্তৰ্গত ওপৰ টেমেৰা নামৰ বৃহৎ অঞ্চলটোত পোৱা যায়। সেই ঠাইৰ পৰাই কিছুমান টেমেৰা খেলৰ মানুহ গোলাঘাট জিলাৰ মেৰাপানীৰ গমাৰিগুৰি, টেঙানি, উত্তৰ লক্ষীমপুৰৰ বঙালমৰা, কাছজুলি, নাৰায়নপুৰ আৰু ধেমাজি জিলাৰ নাহৰবাৰী, বৰীপুং আদি ঠাইলৈ উঠি গৈছে। চামুগুৰীয়া খেলৰ মূল মানুহখিনি উত্তৰ-লক্ষীমপুৰৰ বগিনদীৰ আশে-পাশে আৰু

নাৰায়নপুৰৰ ডিক্ৰং নদীৰ পাৰত পোৱা যায়। সেই ঠাইবোৰৰ পৰাই বহুখিনি মানুহ লখিমপুৰ জিলাৰ লালুক অঞ্চলৰ টুনীজান, বালিগাওঁ আৰু ধেমাজি জিলাৰ বনীপুৰ, নাহৰবাৰী, বলমা আদি ঠাইলৈ উঠি গৈ বসতি কৰিছে। বংকুৱাল আৰু বেংগ্ৰীয়াসকলৰ বসতিৰ স্থান হৈছে গোলাঘাট জিলাৰ বোকাখাট মহকুমাৰ মহুৱা মৌজাৰ অন্তৰ্গত বংকুৱাল নামৰ বৃহৎ অঞ্চলটোত। সেই ঠাইৰ পৰাই পিছলৈ বহুখিনি মানুহ মেৰাপানী অঞ্চলৰ গমাৰিগুৰি, টেঙানি, বোকাখাটৰ পানবাৰী আদি ঠাইলৈ উঠি যোৱা দেখা যায়। বিহিয়া মানুহখিনিৰ মূল ঠাই হৈছে বোকাখাট নগৰৰ পৰা তিনি কিঃ মিঃ উত্তৰে ধনশিৰিমুখ নামৰ বৃহৎ অঞ্চলটোত। বিহিয়া মানুহখিনি পৰাবহনীয়াৰ কবলত পৰি অসমৰ বিভিন্ন ঠাইৰ সিঁচৰতি হৈ পৰা দেখা যায়। সেই ঠাইৰপৰাই বহুখিনি মানুহ ধেমাজি জিলাৰ জোনাই অঞ্চললৈ উঠি গৈছে। তেওঁলোকে জোনাই অঞ্চলত নাইমেকুৰীত দুৰ্ঘন গাওঁ আৰু চিমেন চাপৰি অঞ্চলত তিনিখন গাঁৱত নতুনকৈ বসতি কৰিবলৈ লৈছে। তদুপৰি সেই ঠাইৰপৰাই বাহিৰ জোনাই, তিনিচুকীয়া জিলাৰ জাগুন অঞ্চল আৰু গহপুৰ অঞ্চললৈকো কেইঘৰমান মানুহ উঠি গৈ নতুনকৈ বসতি কৰিছে। জোনাই অঞ্চলৰ বিহিয়াসকল সম্প্ৰতি ভাষিক মিচিংসকলৰ প্ৰভাৱত পৰি মিচিং ভাষা কবলৈ লৈছে।

এই অসমীয়া ভাষী মিচিংসকলক নতুনকৈ ভাষা শিকিবলৈ আগ্ৰহী হ'ব নে নহয় সেই বিষয়টো এটা জটিল আৰু স্পৰ্শকাতৰ বিষয় হিচাপে চিহ্নিত হৈছে। তদুপৰি নগৰাঞ্চলত থকা লোকসকলৰ নতুন প্ৰজন্মই মিচিং ভাষা ক'ব নোৱাৰে আৰু অধিকাংশই ভাষাটো বুজিও নাপায়। আনহাতেদি বিশ্বৰ আগশাৰীৰ আন্তৰ্জাতিক সংস্থা ইউনেস্ক'ই (UNESCO) মিচিং ভাষাটো সংকটজনকভাৱে বিলুপ্ত প্ৰায় ভাষা (Critically endangered) হিচাপে চিহ্নিত কৰিছে। সেয়ে ভাষাভিত্তিক ৰাজ্যৰ দাবীত কিমান যুক্তিসঙ্গত হ'ব সেয়া বিবেচনাৰ বিষয়।

তদুপৰি শিক্ষাৰ্থীৰ মাধ্যমৰ ক্ষেত্ৰত নিম্ন-প্ৰাথমিক পৰ্য্যায়ত তেওঁলোকৰ মাতৃভাষা আৰু মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত যেতিয়ালৈকে তেওঁলোকৰ স্বকীয় মাতৃভাষাৰে সকলো অঞ্চলতে শিক্ষা দিব পৰাকৈ মাধ্যমৰ শিক্ষা অনুষ্ঠান উন্নীত নহয়, সকলো প্ৰকাৰৰ আৱশ্যকীয় উচ্চমান বিশিষ্ট পাঠ্যপুথি মাতৃ-ভাষাত

বঢ়িত নহয়, মাতৃভাষাত মাধ্যম প্ৰচলন কৰিব পৰাকৈ শিক্ষানুষ্ঠানৰ পৰিবেশ গঢ়ি নুঠে, পৰ্যায়ক্ৰমে নিম্ন-স্তৰৰ শিক্ষাৰ লগত সম্পৰ্ক ৰাখি শিক্ষাৰ শ্ৰেণীবোৰ উন্নীত নহয় তেতিয়ালৈকে আঞ্চলিক ভাষাৰ মাধ্যম জনজাতি শিক্ষানুষ্ঠানসমূহত পৰিত্যাগ কৰাৰ কথা চিন্তা কৰাটো সম্ভৱ নহয়। এই ক্ষেত্ৰত বহু অঞ্চলৰ জনজাতি শিক্ষাৰ্থীৰ কাৰণে আজিও আঞ্চলিক ভাষাৰ মাধ্যম পৰিত্যাগ কৰাৰ অনুকূল পৰিবেশ নাই। ইয়াৰ বিপৰীতে জনজাতি শিক্ষাৰ্থীৰ কাৰণে উচ্চ-শিক্ষাৰ ক্ষেত্ৰত ইংৰাজী ভাষাৰ মাধ্যমেই অধিক ফলপ্ৰসূ বুলি ভাবিব পৰা যায়। সেয়ে হয়তো সাম্প্ৰতিক সময়ত মিচিং সমাজত ইংৰাজী ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিবলৈ অহা লোকৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ ধৰিছে।

## সামৰণি

উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীয়ে ভাষাভিত্তিক ৰাজ্যৰ দাবী তোলাৰ লগতে মিচিংসকলেও তেওঁলোকৰ ন্যায্যপ্ৰাপ্তিৰ অধিকাৰ হিচাপে ভাষাভিত্তিক ৰাজ্যৰ দাবী উত্থাপন কৰিছে। এই ক্ষেত্ৰত মিচিংসকলে গণতান্ত্ৰিক নীতি আৰু আদৰ্শৰ আধাৰতেই সেই দাবী প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি অহা দেখা গৈছে। মিচিংসকলৰ ৰাজ্যৰ দাবীৰ দিশত থকা আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে জনগাথনিৰ দিশ। মিচিংসকল একে ঠাইতে নিৰ্দিষ্ট ভৌগোলিক আবেষ্টনিত বসতি কৰি থকা নাই। শদিয়াৰ পৰা নামেৰি বনাঞ্চললৈকে অসমৰ অ'ত-ত'ত সিঁচৰতি হৈ থকা মিচিংসকলৰ জনগাথনিক দিশটো বড়ো,কাৰ্বি আদি জনগোষ্ঠীতকৈ যথেষ্ট দুৰ্বল। মিচিং অধ্যুষিত অঞ্চলত বসবাস কৰি থকা অনা মিচিং লোকসকলৰ পৰা আস্থা লাভ কৰিবলৈ নাইবা প্ৰভুত্ব খটুৱাবলৈ মিচিংসকলৰ মাজত উপযুক্ত নেতৃত্বৰ অভাৱ দেখা যায়। সেয়ে উপযুক্ত নেতৃত্বৰ অভাৱেই ভাষাভিত্তিক ৰাজ্যৰ দাবী বিষয়টো সহজ হৈ নুঠিব। তদুপৰি ভাষাভিত্তিক ৰাজ্যৰ দাবী বিষয়টোৰ লগত অসমীয়া ভাষী মিচিংসকলৰ কথাও অতি স্পৰ্শকাতৰ বিষয় হিচাপে চিহ্নিত হৈছে। সেই বিষয়টোৰ সমাধানৰ বাবে মিচিং সংগঠনসমূহৰ নেতৃবৃন্দও গুৰুত্বসহকাৰে আগবাঢ়ি অহা নাই। উক্ত বিষয়বোৰ সমাধানৰ দিশত উপযুক্ত নেতৃত্ব দিব পাৰিলেহে ভাষাভিত্তিক ৰাজ্যৰ দাবী বিষয়টো সম্ভৱ হৈ উঠিব। এই

ক্ষেত্ৰত মিচিংসকলৰ সচেতন মহলৰ পৰা আৰম্ভ কৰি অসম তথা ভাৰতবৰ্ষৰ বুদ্ধিজীৱি মহলৰ সহায়ৰ প্ৰয়োজনীয়তা আছে।

## গ্ৰন্থপঞ্জী


কাগয়ুং, ভৃগুমুনি : *আঞ্চলিক ভাষা বনাম ত্ৰিভাষা, উকথা পঁজা*,বিষ্ণুবাৰী,গুৱাহাটী,প্ৰথম প্ৰকাশ ফেব্ৰুৱাৰী,১৯৮৩

দলে, ড° বসন্ত কুমাৰ : *মিচিং সমাজ সংস্কৃতিৰ সমীক্ষা,* চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, ২০০৮ চন

দলে পেগু, ৰজিনী (সম্পা) : *ভীমলাল দলেৰ নিৰ্বাচিত প্ৰবন্ধ সংকলন,অনুপ কুমাৰ পেগু,* কাৰচাং প্ৰকাশন মালোঁআলি, ৰাজতীয়া পথ,যোৰহাট-১, প্ৰথম প্ৰকাশ মাৰ্চ, ২০১৪

পাএগঁ কটকী, সোণাৰাম : *মিৰি জাতিৰ বুৰঞ্জী,* অয়েঙীয়া গাঁও, উভটামুখ, লক্ষীমপুৰ ১৯৩৫ চন

পামেগাম, তৰুণ চন্দ্ৰ (১৯৮৯ চন) : মিৰি বা মিচিং, কাগয়ুং, ভৃগুমুনি (সম্পা) : *মিচিং সংস্কৃতিৰ আলেখ্য,* নয়াৰ্ই বুক ষ্টল, পাণবজাৰ, সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, (পৃষ্ঠা ৪১)

লইং, টংকেশ্বৰ (১৯৮৯ চন) : মিচিংভাষা নোকোৱা মিচিং, কাগয়ুং, ভৃগুমুনি (সম্পা) : *মিচিং সংস্কৃতিৰ আলেখ্য,* নয়াৰ্ই বুক ষ্টল, পাণবজাৰ, সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, (পৃষ্ঠা ৬৭)